**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time :** 18-45 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিধানসভা অধিৱেশনৰ দ্বিতীয় দিনা সদনত ১৫ খন ন-পুৰণি বিধেয়ক উত্থাপন। দুখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱ।

২। ভাৰত-বাংলাদেশ সীমান্তৰ ২২৮ দশমিক ৫-৪ কিলোমিটাৰ অংশত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা বুলি চৰকাৰৰ প্ৰকাশ।

৩। সংবিধান দিৱস উপলক্ষে আজি সংবিধানৰ অসমীয়া, বড়োকে ধৰি মুঠ ৯টা ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন।

৪। গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি দুখন অসমীয়া চলচ্চিত্ৰৰ পুনৰ প্ৰদৰ্শন। ***আৰু***

৫। গুৱাহাটী টেষ্টত দক্ষিণ আফ্ৰিকাৰ হাতত ভাৰতৰ শোচনীয় পৰাজয়।

০০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা ১৫ খন ন-পুৰণি বিধেয়ক সদনত উত্থাপন হয়। ইয়াৰ ভিতৰত ৩ খন নতুন আৰু ১২ খন সংশোধনী বিধেয়ক আছে। সদনত উত্থাপন হোৱা নতুন বিধেয়ক অনুসৰি ৰাজ্যত নেৰিম আৰু আজিম প্ৰেমজী বিশ্ববিদ্যালয়ৰ নামেৰে দুখন নতুন বিশ্ববিদ্যালয় হ'ব। আজি সদনত অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণৰ বাবে পূৰ্বতে আইনত থকা চৰ্তসমূহৰ অধিকাংশ চৰ্ত শিথিলকৰণৰ বাবে আজি সদনত উত্থাপন হোৱা এই ২০২৫ৰ নিৰ্দিষ্ট সংশোধনী বিধেয়কখনৰ জৰিয়তে শিক্ষা বিভাগে প্ৰস্তাৱ দিছে। এই সংশোধনী বিধেয়ক গৃহীত হ'লে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানত বছৰৰ পাছত বছৰজুৰি বিনা বেতনে সেৱা আগবঢ়াই অহা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ শীঘ্ৰেই প্ৰাদেশিকীকৰণ হ'ব। এই বিধেয়কখনৰ উপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক, মিচিং স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, তিৱা স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, দেউৰী স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ সংশোধনী বিধেয়ক সদনত উত্থাপন কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

০০০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ অসম সংলগ্ন ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অঞ্চলৰ ২২৮ দশমিক ৫-৪ কিলোমিটাৰ অংশত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। আজি অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কালত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কয়, যে ৰাজ্যখনৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ সৈতে থকা আন্তৰ্জাতিক সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা ৪ দশমিক ৩-৫ কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্তৰক্ষী বাহিনী পি জি বিৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰা দিব পৰা হোৱা নাই। সীমান্তৰ নদী অঞ্চলসমূহত বি এছ এফে চি আই বি এম-এছ নামৰ বিশেষ প্ৰণালী আৰু নৌকা পৰ্য্যবেক্ষণ চকীৰে জলভাগৰ সীমান্ত নিৰীক্ষণ কৰি আহিছে। একেগৰাকী সদস্যৰ আন এটা প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী শ্ৰীবৰাই কয়, যে ২০২১ চনৰ পৰা এই বছৰৰ ৩১ অক্টোবৰলৈকে মুঠ ৩২ হাজাৰ ২০৭ গৰাকী বিদেশী নাগৰিকক চিনাক্ত কৰা হৈছে আৰু ইয়াৰে এহেজাৰ ৪১৬ জনক বহিষ্কাৰ কৰা হৈছে।

০০০০০০

বিগত চাৰে চাৰি বছৰত ৰাজ্যত নতুনকৈ এহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। প্ৰশ্নোত্তৰ ঘণ্টাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত সদনত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্যৰ মথাউৰিৰ প্ৰয়োজন থকা ১,১০০ৰ পৰা ১,১৫০ কিলোমিটাৰ দৈৰ্ঘ্যজোৰা অঞ্চলত মথাউৰি নাছিল। চলিত বিত্তীয় বৰ্ষতে আন ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ বাবে পুঁজি আৱণ্টন দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰথমবাৰৰ বাবে ৰাজ্যত ১,১০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ পকীকৰণ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সদনৰ দৃষ্টিগোচৰ কৰে। ৰাজ্যৰ বান নিয়ন্ত্ৰণৰ স্বাৰ্থত ৰাজ্যত ক্ৰমেও ৯টা জলাশয় খননৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে প্ৰথম পৰ্যায়ত ৬৯৫ কোটি টকা আৱণ্টন দিছে। সেই মৰ্মে শীঘ্ৰেই ইয়াৰ বাবে প্ৰয়োজনীয় নিবিদা আহ্বান কৰা হ'ব বুলিও সদনত মন্ত্ৰী পীযূষ হাজৰিকাই জনায়।

০০০০০০

ৰাজ্যত খাদ্য সুৰক্ষা আঁচনিৰ অধীনত মুঠ ২ কোটি ২৩ লাখ ৭৯ হাজাৰ ৩৬৭ জন হিতাধিকাৰীক সামৰি ৬৩ লাখ ৭৪ হাজাৰৰো অধিক অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি বিধানসভাত প্ৰশ্নোত্তৰ কালত এইকথা সদৰী কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৰেচন কাৰ্ড লাভ কৰা প্ৰতিটো অন্ত্যোদয়া অন্ন যোজনা পৰিয়ালক প্ৰতিমাহে কাৰ্ডে প্ৰতি ৩৫ কিলোগ্ৰামকৈ আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালক জনে প্ৰতি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল প্ৰদান কৰা হয়। যোৱা নৱেম্বৰৰ বিনামূলীয়া চাউলৰ অনলাইন আবণ্টন অনুসৰি, ৰাজ্যত মুঠ ২ লাখ ২৯ হাজাৰ ৭৫৮ দশমিক ৪-৯ কুইণ্টল চাউল অন্ত্যোদয়া অন্ন যোজনা পৰিয়ালক আৰু ১০ লাখ ৯৬ হাজাৰ ৫২৯ দশমিক ৭-৭ কুইণ্টল চাউল অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে।

০০০০০০

আজি সংবিধান দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংবিধান দিৱস উপলক্ষে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধানৰ প্ৰস্তাৱনা পাঠৰ গুৰি ধৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে সংবিধান ৰাষ্ট্ৰীয় পৰিচয়ৰ ভেটিস্বৰূপ আৰু ই ৰাষ্ট্ৰক ঔপনিৱেশিক মানসিকতাক পৰিহাৰ কৰি ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে আগুৱাই লৈ যোৱাৰ পথ প্ৰদৰ্শক পৰিকাঠামো। সংবিধান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিগৰাকীয়ে সংবিধানৰ অসমীয়া, বড়ো, মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাবী, কাশ্মিৰী, তেলেগু আৰু উড়িয়া ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন কৰে। এই উপলক্ষে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি সমগ্ৰ দেশতে তিনি-তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসমতো আজি সংবিধান দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়।

যোৰহাট আৰক্ষীয়ে আজি সংবিধান দিৱস উপলক্ষে প্ৰস্তাৱনা পাঠ কৰাৰ লগতে নাগৰিকৰ প্ৰতি ন্যায় আৰু নিষ্ঠাৰে দায়িত্ব পালনৰ সংকল্প লয়। ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলাৰ মুখ্য কাৰ্যালয়ত অনুসূচীত জাতি মৰ্চা জিলা সমিতিৰ সহযোগত আজি সংবিধান দিৱস পালন কৰা হয়। এই উপলক্ষে চৰাইদেউ জিলাৰ ভৱানীপ্ৰসাদ বৰুৱা সোঁৰৰণি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড০ বাৰিন্দ্ৰ দাসে মুখ্য বক্তা হিচাপে ভাষণ আগবঢ়ায়।

কামৰূপ জিলাৰ শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত আজি ৭৬ সংখ্যক ৰাষ্ট্ৰীয় সংবিধান দিৱস উদযাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাত আজি জিলা প্ৰশাসনৰ উদ্যোগত সংবিধানৰ প্ৰস্তাৱনা আনুষ্ঠানিকভাৱে পাঠ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আযোজিত অনুষ্ঠানত জিলাখনৰ আয়ুক্ত প্ৰদীপ টিমুঙে বন্তি প্ৰজ্বলন কৰি সংবিধানৰ প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ  প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীসকলে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। সংবিধান দিনৱস উপলক্ষে আজি বজালী জিলাৰ পাঠশালাৰ আনন্দৰাম বৰুৱা স্নাতক মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা জিলাতো আজি সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আদিত সংবিধান দিৱস পালন কৰা হয়।

০০০০০০

সমগ্ৰ শিক্ষা সোণাৰী শিক্ষা খণ্ডৰ উদ্যোগত আজি চৰাইদেউ জিলাৰ কচুমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ শিক্ষণ সামগ্ৰী প্ৰদৰ্শন আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লক্ষ্য অনুসৰি প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মান উন্নত কৰাৰ বাবে শিক্ষকসকলৰ মাজত সৃষ্টিশীলতা  আৰু নতুনত্বক উদগণি যোগোৱাৰ উদ্দেশ্যেৰে এই প্ৰতিযোগিতাখন আয়োজন কৰা হয়। প্ৰতিযোগিতাখন মাহমৰা

সমজিলাৰ আয়ুক্ত বানছেংফা বৰুৱাই আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰতিযোগিতাখনত সোণাৰী শিক্ষা খণ্ডৰ অধীনৰ ৪৩টা ক্লাষ্টাৰৰ বিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

**বাইট (বানছেংফা বৰুৱা)**

০০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি বিয়লি দিছপুৰৰ অসম বিধানসভাৰ কেন্দ্ৰীয় কক্ষত অনুষ্ঠিত এখন বৈঠকত ছহিদ দিৱসৰ প্ৰস্তুতিৰ বুজ লয়। বৈঠকত ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলক যথোচিত সন্মান প্ৰদান আৰু আসন্ন ছহিদ দিৱসৰ কাৰ্যসূচী সুচাৰুৰূপে পালনৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰা, বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ লগতে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত আজি দুখন অসমীয়া চলচ্চিত্ৰ পুনৰ প্ৰদৰ্শন কৰা হয়। কাহিনী চিত্ৰশাখাত নিৰ্বাচিত শশাংক সমীৰ পৰিচালিত জনপ্ৰিয় চলচ্চিত্ৰ **ভাইমন দা** আৰু অ-কাহিনী শাখাত নম্ৰতা দত্ত পৰিচালিত **পত্ৰলেখা** ছবিখন প্ৰদৰ্শন কৰা হয়। এই ছবি দুখন কালিও মহোৎসৱত  প্ৰদৰ্শন কৰা হৈছিল। এই ছবি দুখন প্ৰদৰ্শন সন্দৰ্ভত আজি এখন সংবাদমেলত ভাইমন দাৰ পৰিচালক শশাংক সমীৰ, পত্ৰলেখা পৰিচালক নম্ৰতা দত্ত আৰু চলচ্চিত্ৰ পৰিচালক তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত উৎপল দত্তই চলচ্চিত্ৰ দুখনৰ নিৰ্মাণৰ সম্পৰ্কে অৱগত কৰে। নৱ প্ৰজন্মৰ পৰিচালক শশাংক সমীৰে অসমৰ চলচ্চিত্ৰ জগতৰ এগৰাকী পুৰোধা চলচ্চিত্ৰ নিৰ্মাতা মুনিন বৰুৱাৰ জীৱনৰ ওপৰত ভিত্তি কৰি এই চলচ্চিত্ৰখন নিৰ্মাণৰ বিষয়ে দৰ্শকক অৱগত কৰে। প্ৰায় ৫ বছৰজোৰা গৱেষণাৰ ফচল হিচাপে ছবিখন নিৰ্মাণ কৰা হৈছিল বুলিও তেওঁ উল্লেখ কৰে। একেদৰে পত্ৰলেখাৰ পৰিচালক তথা লেখক নম্ৰতা দত্তই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ আধাৰত ছবিখন নিৰ্মাণৰ বাবে লোৱা পদক্ষেপ সম্পৰ্কে জানিবলৈ দিয়ে। তেওঁ কয় যে বৰেণ্য শিল্পীগৰাকীৰ গীতটিৰ মাজত থকা অপ্ৰকাশ্য বেদনা আৰু গভীৰ প্ৰেমক চলচ্চিত্ৰৰ ৰূপ দিয়াৰ বাবে তেওঁ প্ৰয়াস কৰিছে। সংবাদমেলত পত্ৰলেখাৰ সহ প্ৰযোজক উৎপল দত্তই ছবিখন নিৰ্মাণৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰে। আজি এই মহোৎসৱত কাঁন চলচ্চিত্ৰ মহোৎসৱত পামদিঅ'ৰ বটা লাভ কৰা জাফৰ পানাহী পৰিচালিত ইৰানৰ ছবি **ইট ৱাজ জাষ্ট এন এক্সিডেণ্ট** ছবিখন আজি সন্ধিয়া পুনৰ প্ৰদৰ্শন কৰা হয়। এইবাৰৰ মহোৎসৱত ৮৪ খন দেশৰ ২৭০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। এইবাৰ মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪ খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হৈছে।

এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ অগণন চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীৰ সমাগম হৈছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ পৰহিলৈ সামৰণি পৰিব।

০০০০০০

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ

সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি ৫ বাজি ১৫ মিনিটৰ বাতৰি আৰু সন্ধিয়া ছয় বজাৰ উজনি অসমৰ বাতৰি পহিলা ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে টেষ্ট শৃংখলাটোত ২-০ ৰ ব্যৱধানত জয়লাভ কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দুখনীয়া শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত আলহী দলটোৱে ভাৰতক ৪০৮ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। ভাৰতে দ্বিতীয় ইনিংছত ৫৪৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আজি অন্তিম দিনা ১৪০ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক ৫৪ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ চাইমন হাৰ্মৰে ছটা উইকেট লাভ কৰে। দক্ষিণ আফ্ৰিকাই ভাৰতৰ মাটিত এইবাৰ দ্বিতীয়বাৰ আৰু ২৫ বছৰত প্ৰথম টেষ্ট শৃংখলাত জয়ী হৈছে। ইয়াৰ পূৰ্বে ২০০০ চনত হান্সি ক্ৰ'নিয়েৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাই ভাৰতৰ মাটিত টেষ্ট শৃংখলাত জয়ী হৈছিল।

০০০০০০

সমাপ্ত